Total number of printed pages–7

**63/1 (SEM–6) GE2/ASMRG 6026**

**2024**

# ASSAMESE

Paper : ASMRG 6026

***( Functional Grammar of Assamese )***

*Full Marks : 80*

*Pass Marks : 32*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। তলৰ শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ *(যিকোনো ছয়টা)* ১×৬=৬

(ক) 'অষ্টাধ্যায়ী' নামৰ ব্যাকৰণ গ্ৰন্থখনৰ লিখক কোন?

*(i)* সত্যনাথ বৰা

*(ii)* পাণিনি

*(iii)* হেমচন্দ্ৰ বৰুৱা

*(iv)* উপেন্দ্ৰনাথ গোস্বামী

Contd.

(খ) অসমীয়া ভাষাত কাৰক কেইপ্ৰকাৰ?

*(i)* তিনি প্ৰকাৰ

*(ii)* চাৰি প্ৰকাৰ

*(iii)* পাঁচ প্ৰকাৰ

*(iv)* ছয় প্ৰকাৰ

(গ) অসমীয়া ভাষাত নাসিক্য ধ্বনি কোনকেইটা?

*(i)* প, ফ, ব

*(ii)* ম, ন, ঙ

*(iii)* শ, ষ, স

*(iv)* ক, খ, গ

(ঘ) গঠন অনুসৰি বাক্যৰ প্ৰধান ভাগ হ'ল

*(i)* দুই প্ৰকাৰ

*(ii)* তিনি প্ৰকাৰ

*(iii)* চাৰি প্ৰকাৰ

*(iv)* পাঁচ প্ৰকাৰ



(ঙ) বিশেষ্য পদৰ ভাগ কেইটা?

*(i)* দুটা

*(ii)* তিনিটা

*(iii)* চাৰিটা

*(iv)* পাঁচটা

(চ) অসমীয়া ভাষাত লিঙ্গ কেই প্ৰকাৰৰ?

*(i)* দুই প্ৰকাৰৰ

*(ii)* তিনি প্ৰকাৰৰ

*(iii)* চাৰি প্ৰকাৰৰ

*(iv)* পাঁচ প্ৰকাৰৰ

(ছ) তলৰ কোনটো বিশেষণীয় বিশেষণ লিখা।

*(i)* ৰঙা ফুল

*(ii)* ধুনীয়া ঘৰ

*(iii)* টিকটিকীয়া ৰঙা ফুল

*(iv)* সৰু বস্তু

(জ) 'মাইহাং', 'বুৰঞ্জী', 'কাৰেং' এই কেইটা কোনটো ভাষাৰ পৰা আহিছে?

*(i)* অষ্ট্ৰিক

*(ii)* চীন-তিব্বতীয়

*(iii)* টাই-আহোম

*(iv)* দ্ৰাবিড়ীয়

(ঝ) তলৰ কোনকেইটা নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ উদাহৰণ?

*(i)* -আও, -অনা, -বি

*(ii)* -ঈ, -অনী, -উনী

*(iii)* -জন, -টো, -খন

*(iv)* -গৈ, -চোন, -হি

(ঞ) তলৰ কোনবোৰ তৎসম শব্দ?

*(i)* বৈষ্ণৱ, বিষ্ণু, কৃষ্ণ, চন্দ্ৰ

*(ii)* চাউল, সোলেং, ম'ৰা, কপাহ

*(iii)* মৰম, হাঁহি, আৱেগ, কল্পনা

*(iv)* লাড়ু, কলম, বহী, চিয়াহী



২। তলত দিয়া প্ৰশ্নসমূহৰ অতি চমু উত্তৰ দিয়া ঃ *(যিকোনো পাঁচটা)* ২×৫=১০

(ক) গোলোকচন্দ্ৰ গোস্বামীৰ *দুখন* ব্যাকৰণ পুথিৰ নাম লিখা।

(খ) সঘোষ আৰু অঘোষ ধ্বনি কাক বোলে?

(গ) অসমীয়া ভাষাত পুৰুষ কেইটা আৰু কি কি?

(ঘ) অসমীয়া ভাষাত স্ত্ৰী প্ৰত্যয় কেইটা আৰু কি কি?

(ঙ) নঞাৰ্থক ক্ৰিয়াপদ কি? উদাহৰণসহ লিখা।

(চ) যৌগিক ধাতু কাক বোলে? উদাহৰণসহ লিখা।

(ছ) যতিচিহ্ন বা বিৰামচিন কাক বোলে? উদাহৰণেৰে সৈতে লিখা।

৩। তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া ঃ *(যিকোনো ছয়টা)* ৫×৬=৩০

(ক) প্ৰত্যয় কাক বোলে? ই কেই প্ৰকাৰ আৰু কি কি? উদাহৰণসহ লিখা।

(খ) অসমীয়া ভাষাত লিঙ্গ নিৰূপণৰ প্ৰক্ৰিয়াসমূহৰ বিষয়ে চমুকৈ লিখা।

(গ) ক্ৰিয়াপদ কাক বোলে? ইয়াৰ ভাগসমূহ কি কি? উদাহৰণসহ লিখা।

(ঘ) অসমীয়া ভাষাত নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ ব্যৱহাৰ সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(ঙ) পদ কাক বোলে? ইয়াৰ ভাগসমূহ কি কি? উদাহৰণৰ সৈতে চমুকৈ আলোচনা কৰা।

(চ) তলৰ শব্দবোৰৰ বিপৰীত শব্দ কি হ'ব লিখা ঃ

আৱাহন, উৎকৃষ্ট, দেশপ্ৰেমিক, বিস্তৃত, পুৰস্কাৰ

(ছ) অসমীয়া ভাষাৰ তৎসম আৰু অৰ্ধতৎসম শব্দবোৰৰ বিষয়ে চমুকৈ লিখা।

(জ) অসমীয়া ভাষাত ব্যৱহাৰ হোৱা অনুৰূপ শব্দসমূহৰ বিষয়ে চমুকৈ লিখা।

(ঝ) বিশেষণ পদ কেইপ্ৰকাৰ আৰু কি কি? উদাহৰণৰ সৈতে লিখা।

(ঞ) সমাস কি? উদাহৰণসহ সমাসৰ প্ৰধান প্ৰকাৰসমূহ উল্লেখ কৰা।

৪। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১০×২=২০

(ক) বাক্যৰ প্ৰধান উপাদানসমূহ কি কি? প্ৰতিটোৰে চমু পৰিচয় দাঙি ধৰা।

(খ) কাৰক কাক বোলে? ই কেই প্ৰকাৰ আৰু কি কি? উদাহৰণসহ লিখা।



(গ) অসমীয়া ভাষাৰ ব্যাকৰণগত বিষয় সম্পৰ্কে চমুকৈ লিখা।

(ঘ) অসমীয়া ভাষাত দেশী শব্দ সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

৫। তলৰ *যিকোনো এটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১৪

(ক) ব্যাকৰণ বুলিলে কি বুজা? অসমীয়া ব্যাকৰণৰ ইতিহাস সম্পৰ্কে চমুকৈ লিখা।

(খ) অসমীয়া ভাষাৰ শব্দ ভাণ্ডাৰৰ বিষয়ে বহলাই আলোচনা কৰা।

(গ) বাক্যৰ আকাংক্ষা, যোগ্যতা আৰু আসক্তি সম্পৰ্কে চমু আলোচনা দাঙি ধৰা।

———